# নাগৰিকৰ স্বচ্ছতাৰ শপত

মই বিশ্বাস কৰো যে, দুৰ্নীতি হৈছে আমাৰ দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিকাশৰ এক মূখ্য প্ৰতিবন্ধক । বৃহত্তৰ সমাজৰ অংশ হিচাবে দেশৰ চৰকাৰ, নাগৰিক, ব্যক্তিগত খণ্ড সকলোৱে মিলি দুৰ্নীতি নিৰ্মূলৰ বাবে কাম কৰি যাব লাগিব ।

মই উপলব্ধি কৰো যে প্ৰত্যেক নাগৰিকেই সদা সতৰ্ক হৈ, সততা আৰু উচ্চ নৈতিকতাৰে দায়বদ্ধ ভাবে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ কৰি যাব লাগে।

সেয়ে দেশৰ এজন নাগৰিক হিচাবে মই শপত লওঁ যে -

**(১)** মই জীৱনৰ প্ৰতিটো খোজত সততা, স্বচ্ছতা আৰু আইনৰ প্ৰতি আনুগত্য বজাই ৰাখিম ।

**(২)** মই কেতিয়াও কোনোক্ষেত্ৰতে উপঢৌকন নলওঁ আৰু নিদিওঁ ।

**(৩)** মই মোৰ সকলোকামতে সততা আৰু স্বচ্ছতা বজাই ৰাখিম আৰু মোৰ প্ৰত্যেকটো কৃতকৰ্মৰ বাবে দায়বদ্ধ হম।

**(৪)** মই নিৰপেক্ষভাবে উদ্দেশ্য ভিত্তিক সকলো সিদ্ধান্ত গ্ৰহণ কৰিম ।

**(৫)** মই সকলো কাম ৰাজহুৱা স্বাৰ্থৰ হকে কৰিম।

**(৬)** মই ব্যক্তিগত আচাৰ ব্যৱহাৰত স্বচ্ছতাৰ নিদৰ্শন ডাঙি ধৰিম।

**(৭)** মই দুৰ্নীতি সম্পৰ্কীয় যিকোনো অভিযোগ সংশ্লিষ্ট কৰ্ত্তৃপক্ষক অৱগত কৰিম।

***************************************************************************

# শপত বাক্য

আমি ভাৰতবৰ্ষৰ চৰকাৰী কৰ্ম্মচাৰী হিচাবে ঐকান্তিকতাৰে শপত লওঁ যে, আমি আমাৰ সকলো যাবতীয় কামতে সততা আৰু স্বচ্ছতা বজাই ৰাখিবলৈ অবিৰত ভাৱে প্ৰচেষ্টা চলাই যাম । আমি আৰু শপত লওঁ যে, জীৱনৰ সকলো স্তৰতে দুৰ্নীতি নিবাৰণৰ বাবে অবিৰাম কাম কৰি যাম। আমাৰ বিভাগৰ সুনাম আৰু উন্নয়নৰ বাবে সদা সতৰ্ক হৈ কাম কৰি যাম। আমি দেশৰ নাগৰিকলৈ মূল্যবোধৰ সেৱাৰ জৰিয়তে আমাৰ বিভাগৰ সুনাম আৰু গৌৰৱ কঢ়িয়াই আনিম । আমি পক্ষপাত দুষ্ট অথবা ভয়ৰ বশৱৰ্ত্তী নোহোৱাকৈ বিবেকৰ দ্বাৰা পৰিচালিত হৈ আমাৰ সেৱা আগবঢ়াম ।